# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 03-03-2025

**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

অসম বিধানসভাৰ বাজেট অধিৱেশনত আজি অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সন্দৰ্ভত আলোচনা কৰা হয়। বিধায়ক মানৱ ডেকাই উত্থাপন কৰা এই সম্পৰ্কীয় প্ৰস্তাৱটোত অধ্যক্ষই আলোচনাৰ বাবে গ্ৰহণ কৰে। শাসক আৰু বিৰোধী দলৰ কেইবাগৰাকীও সদস্যই এই আলোচনাত অংশগ্ৰহণ কৰি অসম লোকসেৱা আয়োগৰ ২০১৩ আৰু ২০১৪ বৰ্ষৰ নিযুক্তি সন্দৰ্ভত হোৱা কেলেংকাৰী আৰু ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন সম্পৰ্কত বিভিন্ন প্ৰসংগ উত্থাপন কৰে। বিধায়ক অখিল গগৈয়ে বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন ৰূপায়ণ কৰাত ৰাজ্য চৰকাৰৰ আগ্ৰহ নাই বুলি চৰকাৰৰ সমালোচনা কৰে।

আলোচনাৰ উত্তৰ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসম লোকসেৱা আয়োগৰ মূল সমিতি গঠন সন্দৰ্ভত বিস্তৃতভাৱে প্ৰকাশ কৰি ৰাকেশ পালক লোকসেৱা আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ বিভিন্ন তথ্য দাঙি ধৰে। মুখ্যমন্ত্ৰীয়ে ৰাকেশ পালক অসম লোকসেৱা আয়োগৰ অধ্যক্ষৰূপে নিযুক্তি দিয়াৰ বাবে কংগ্ৰেছ দলে অসমৰ যুৱশক্তিৰ ওচৰত স্বৰ্তবিহীন ক্ষমা-ভিক্ষা কৰিব লাগে বুলি মন্তব্য কৰে। কংগ্ৰেছ দলে দুৰ্নীতিৰ সুযোগ বিচাৰি থাকে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লোকসেৱা আয়োগত অধ্যক্ষ নিযুক্তিৰ ক্ষেত্ৰত দলটোৱে বাৰে বাৰে একে অপৰাধ কৰি আহিছিল বুলি অভিযোগ কৰে। তেওঁ লগতে অখিল গগৈয়ে কংগ্ৰেছৰ দুৰ্নীতিক নায্যতা প্ৰদান কৰিছে বুলিও অভিযোগ তোলে। ইপিনে, দুৰ্নীতিক প্ৰশ্ৰয় নিদি এ পি এছ চিৰ অনিয়মৰ বিৰুদ্ধে তদন্ত কৰাৰ সাহসী সিদ্ধান্ত গ্ৰহণ কৰাৰ বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ প্ৰতি সদনে কৃতজ্ঞতা জনোৱা উচিত বুলি মুখ্যমন্ত্ৰী শৰ্মাই মন্তব্য কৰে। দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অসমত লোকসেৱা আয়োগৰ অধ্যক্ষ আৰু সহযোগী সদস্যসকলক গ্ৰেপ্তাৰ কৰা হয় বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে, বৰ্তমানৰ চৰকাৰ দিনত যিদৰে স্বচ্ছ নিযুক্তি প্ৰদান কৰা হৈছে, ইয়াৰ পৰিৱৰ্তে কংগ্ৰেছ শাসনৰ সময়ত নিযুক্তিৰ তালিকাত মন্ত্ৰীৰ আত্মীয়স্বজনৰ নামহে অন্তৰ্ভুক্ত আছিল।

০০০০০

যুৱ শক্তি আমাৰ দেশৰ মহা শক্তি আৰু এই যুৱ শক্তিয়ে শিক্ষা, ক্ৰীড়া আৰু সংস্কৃতিৰ জৰিয়তে এখন সুস্থ-সৱল সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰিব লাগিব। কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৫৬ সংখ্যক বিশ্ববিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। শ্ৰী সোণোৱালে কয়, যে বৰ্তমান সময়ত নিজৰ পৰিচয় আৰু স্থিতিক বিশ্বৰ প্ৰেক্ষাপটত দাঙি ধৰিবলৈ শিক্ষা, গৱেষণা, সংস্কৃতি, ক্ৰীড়া আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰিবৰ বাবে যুৱক-যুৱতীসকলে চেষ্টা কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জ্ঞান অন্বেষণৰ সমান্তৰালকৈ সৃষ্টি শীলতা আৰু উদ্ভাৱনৰ দিশত গুৰুত্ব দি নিজৰ সুপ্ত প্ৰতিভাৰ বিকাশেৰে দেশৰ প্ৰগতিৰ অনিৰুদ্ধ যাত্ৰাক শক্তিশালীৰূপত আগুৱাই নিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়।

আজিৰ অনুষ্ঠানত প্ৰখ্যাত এথলিট পি টি ঊষা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জিতেন হাজৰিকা, পঞ্জীয়ক পৰমানন্দ সোণোৱাল, অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ অধ্যক্ষ বিকুল ডেকা, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

আজি বিশ্ব শ্ৰৱণ দিৱস। এইবাৰৰ এই দিৱসৰ মূল **বিষয়বস্তু হৈছে নৱ চিন্তাধাৰাক জাগ্ৰত কৰক, প্ৰতিগৰাকী ব্যক্তিয়ে কানৰ যতন আৰু শ্ৰৱণ শক্তি অটুট ৰখাৰ প্ৰতি গুৰুত্ব আৰোপৰ সংকল্প লওঁ আহক**। বিশ্বৰ অন্যান্য প্ৰান্তৰ লগতে ৰাজ্যৰ ভিন্ন অঞ্চলত এই দিৱস পালন কৰা হৈছে। যোৰহাটৰ চিনামৰাৰ প্ৰেৰণা বিদ্যালয়ত দিৱস উপলক্ষে আয়োজিত কাৰ্যসূচীত অধ্যক্ষ ছায়েৰা ৰহমানে আজিৰ দিনটোৰ তাৎপৰ্য সম্পৰ্কে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক উদ্দেশ্যি ব্যাখ্যা আগবঢ়ায়। শ্ৰৱণ যন্ত্ৰ আৰু সৰ্বাংগীণ যোগাযোগৰ গুৰুত্বৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ ওপৰতো অধ্যক্ষগৰাকীয়ে গুৰুত্ব দিয়ে।

চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাখনৰ ৫৫৭ নম্বৰ ৰাঙলি নিম্ন প্ৰাথমিক বিদ্যালয়ত এই দিৱসৰ সৈতে সংগতি ৰাখি এখন সজাগতা সভাৰ আয়োজন কৰা হয়। সভাত চৰাইদেউ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱাই সমল ব্যক্তি হিচাপে উপস্থিত থাকি শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকক উদ্দেশ্যি শ্ৰৱণৰ সমস্যা আৰু কেতবোৰ বদ অভ্যাস সন্দৰ্ভত গুৰুত্বপূৰ্ণ ব্যাখ্যা আগবঢ়ায়। ইপিনে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ চৰাইদেউ জিলা আঁচনি পৰিচালক অভিজিৎ শৰ্মাই নৱজাতক, শিশু, প্ৰাপ্তবয়স্ক আৰু বৃদ্ধসকলৰ ক্ষেত্ৰত শ্ৰৱণ শক্তি হেৰুৱাৰ কাৰণসমূহ ব্যাখ্যা কৰে আৰু এইক্ষেত্ৰত ৰাইজক সজাগ হ'বলৈ আহ্বান জনায়।

ooooo

সমাপ্ত